**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Time :** 0755 Hrs. **Date :** 17-1-2025

## *Assamese Morning Bulletin*

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে সন্ধিয়া ৬ বজাত গুৱাহাটীৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। কালি সমাপ্ত হোৱা বাগৰুম্বা নৃত্যৰ চূড়ান্ত আখৰাত ৰাজ্যৰ ২৩ খন জিলাৰ ৮১ টা সমষ্টিৰ পৰা অহা ১০ হাজাৰ শিল্পীয়ে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰুসজাই ষ্টেডিয়ামত উপস্থিত হৈ সমগ্ৰ পৰিবেশ তদাৰক কৰাৰ লগতে সমবেত শিল্পীসকলক সাহস আৰু অনুপ্ৰেৰণা যোগায়। প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই এলিভেটেড কৰিড'ৰে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰ্যটনৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি কৃষিমন্ত্ৰী অতুল বৰাই আশা প্ৰকাশ কৰিছে।

বাইট (বৰা)

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **গুৱাহাটীৰ পৰা ৰ'হটক** চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০০০

সমগ্ৰ ৰাজ্যতে আজি অসমীয়া সাংস্কৃতিক জগতৰ অন্যতম হোতা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত শিল্পী দিৱস উদযাপন কৰা হৈছে। প্ৰতি বছৰে ১৭ জানুৱাৰীত তেওঁৰ মৃত্যু দিৱসৰ সৈতে সংগতি ৰাখি, নাটক, সংগীত, সাহিত্য, চলচ্চিত্ৰ আদি বিভিন্ন দিশত মহান শিল্পীগৰাকীয়ে আগবঢ়াই যোৱা অৱদানসমূহৰ বিষয়ে স্মৰণ কৰা হয়।

বাক্সা জিলাৰ বাগানপাৰাত কালিৰে পৰা দুদিনীয়াকৈ সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শিল্পী দিৱসৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। বাক্সা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বাগানপাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত এই কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক ৰমেশ কলিতাই দুদিনীয়াকৈ অনুষ্ঠিত হোৱা শিল্পী দিৱসৰ কালি মূল দুৱাৰ মুকলি কৰে। আজি হ'বলগীয়া মুকলি সভাত সদৌ অসম ছাত্ৰ সভাৰ কেন্দ্ৰীয় বিষয়ববীয়াসকল উপস্থিত থাকিব।

০০০০০০০

অসম চৰকাৰৰ ২০২৬ বৰ্ষৰ শিল্পী বঁটাৰ বাবে বিশিষ্ট সংগীত শিল্পী ধনদা পাঠক আৰু মৰণোত্তৰভাৱে সমৰ হাজৰিকাক মনোনীত কৰা হৈছে। অহা ফেব্ৰুৱাৰীত হ'বলগীয়া এটা অনুষ্ঠানত শিল্পী বঁটা প্ৰদান কৰা হ'ব। একেদৰে বিশিষ্ট সাহিত্যিক মনেশ্বৰ দেউৰীক ২০২৫ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বঁটা, শিক্ষাবিদ ড° অমলেন্দু চক্ৰৱৰ্তীক গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা, নাট্যশিল্পী কৰুণা ডেকাক নটসূৰ্য ফণী শৰ্মা বঁটা, চলচ্চিত্ৰ নিৰ্মাতা অৰূপ মান্নাক ভৱেন্দ্ৰ নাথ শইকীয়া বঁটা আৰু অৰণীৰঞ্জন পাঠকক বিজু ফুকন বঁটাৰে সন্মানিত কৰা হ'ব।

মৰণোত্তৰভাৱে শিল্পী বঁটা লাভ কৰা শিল্পী সমৰ হাজৰিকাই অসমীয়া লোক জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষাক সুৰৰ মাধুৰ্য্যৰে জনসাধাৰণৰ হৃদয়লৈ লৈ গৈছিল। লোকসংগীত, আধুনিক গীত আৰু সাংস্কৃতিক চেতনাৰে সমৃদ্ধ হাজৰিকাৰ সৃষ্টিসমূহ হৈছে অসমীয়া সংগীত ভাণ্ডাৰৰ অমূল্য সম্পদ।

কামৰূপীয়া আৰু গোৱালপৰীয়া লোকগীতৰ শিল্পী ধনদা পাঠকে দেশে-বিদেশে লোকগীত পৰিৱেশন কৰি সন্মান অৰ্জন কৰাৰ লগতে এশৰো অধিক কেছেটত কণ্ঠদান কৰিছে।

০০০০০০০

সেনা বাহিনীয়ে অসমৰ ৪ খন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাওঁ আৰু মৰিগাওঁত অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰ হিচাপে নিযুক্তি দিয়াৰ বাবে ইতিমধ্যে সূচীভুক্ত কৰা প্ৰাৰ্থীসকলৰ বাবে নিযুক্তি ৰেলী ব্যৱস্থা কৰিছে। অহা ২২ ফেব্ৰুৱাৰীত মৰিগাঁও জিলাৰ প্ৰাৰ্থীসকলৰ বাবে এই ৰেলী অনুষ্ঠিত হ'ব। শোণিতপুৰ জিলাাৰ মিছামাৰী সেনা শিবিৰৰ যশৱন্ত সেনা শিবিৰত এই ৰেলীৰ আয়োজন কৰা হৈছে। যোগ্যতা সম্পন্ন প্ৰাৰ্থীয়ে ভাৰতীয় সেনা বাহিনীৰ ৱেবছাইট www.join*in***indian***army*.nic.in ৰ পৰা নিজৰ প্ৰবেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। বাচনি হৈও প্ৰবেশপত্ৰ লাভ নকৰা বা যিকোনো ওজৰ আপত্তিৰ বাবে প্ৰাৰ্থীয়ে ইমেইল আৰু ফোন কৰিব পাৰিব। উল্লেখযোগ্য যে ২০২৫ চনৰ জুন-জুলাই মাহত অগ্নিবীৰ নিযুক্তিৰ বাবে অনলাইনযোগে সাধাৰণ প্ৰবেশ পৰীক্ষা অনুষ্ঠিত হৈছিল।

০০০০০০০

অসম বিধানসভা সচিবালয়ে অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা অসম বিধানসভাৰ অধিবেশন অনুষ্ঠিত কৰাৰ অনুমতি বিচাৰি ৰাজ্যপাললৈ পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুসৰি ৰাজ্যপালে অনুমতি দিলে চৰকাৰে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰিব বুলি বিধানসভা সচিবালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে সমাগত অসম বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ বিধানসভাৰ অধিবেশনত পূৰ্ণাংগ বাজেটৰ পৰিৱৰ্তে লেখানুদান দাখিল কৰা যাব।

০০০০০০০

নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত নামৰূপৰ গান্ধীময়দানত কালিৰেপৰা এম এল এ কাপ ৩ পইণ্ট জিৰ অনুষ্ঠিত হৈছে। অসম ক্ৰিকেট সন্থাৰ সভাপতি তথা বিধায়ক তৰংগ গগৈয়ে এই প্ৰতিযোগিতা উদ্বোধন কৰি কয়, যে উৎসাহ আৰু প্ৰতিযোগিতামূলক মনোভাৱেৰে পৰিপূৰ্ণ এই প্ৰতিযোগিতাই ক্ৰীড়া প্ৰেমীসকলক আনন্দিত কৰিবলৈ সক্ষম হয়।

০০০০০০০

যোৰহাটৰ তৰাজান নিবাসী সৰবৰহী মহিলা মৃণালিনী গোস্বামীৰ যোৱা নিশা বাৰ্দ্ধক্যজনিক ৰোগত নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত অনুষ্ঠান কাৰ্যবাহী সঞ্জয় গোস্বামী মাতৃ মৃণালিনী গোস্বামী তৰাজান পূজা মন্দিৰ আৰু তৰাজান হস্তশিল্প অনুষ্ঠানৰ সৈতে জড়িত আছিল।

০০০০০০০০

**সমাপ্ত**